জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৭৩/২০২২

ছাত্ৰ-ছাত্ৰীলৈ শৈক্ষিক উৎকৰ্ষৰ প্ৰেৰণা যোগাই আনন্দৰাম বৰুৱা বঁটা প্ৰদান মুখ্যমন্ত্ৰীৰ

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ প্ৰাপ্ত ২২,৬০১ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ আনন্দৰাম বৰুৱা বঁটা প্ৰদান

## আনন্দৰাম বৰুৱাৰ কৰ্ম আৰু আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৭ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম মাধ্যমিক শিক্ষা বিভাগে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শৈক্ষিক উৎকৃষ্টতা প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কামৰূপ (মহানগৰ) আৰু কামৰূপ জিলাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলক এই বঁটা প্ৰদান কৰে। অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)ৰ দ্বাৰা পৰিচালিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এই বছৰৰ বাবে ৭৫ শতাংশ বা ততোধিক নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। এই বছৰ সমগ্ৰ ৰাজ্যত মুঠ ২২,৬০১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই বঁটা লাভ কৰিছে। আজি ৰাজ্যখনৰ বিভিন্ন জিলাত একেলগে অনুষ্ঠিত হোৱা এই অনুষ্ঠানত আনন্দৰাম বঁটা প্ৰাপকসকলক ১৬ হাজাৰ টকাকৈ ধনৰাশি প্ৰদান কৰা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক উৎকৰ্ষতাৰ বাবে প্ৰেৰণা যোগাবলৈ এই বঁটা প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰাপকসকলক অভিনন্দন জ্ঞাপন কৰি কয় যে এই সফলতাৰ আঁৰত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ গুৰুত্বপূৰ্ণ অৰিহণা আছে। মুখ্যমন্ত্ৰীয়ে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলকো অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই বঁটাই আগন্তুক বছৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলক অধিক অনুপ্ৰাণিত হৈ গভীৰ অধ্যয়নৰ প্ৰতি আকৃষ্ট কৰি তুলিব। ২০০৫ চনৰ পৰা এই বঁটা প্ৰদান কৰি অহা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আনন্দৰাম বৰুৱা অসম মাতৃৰ সৰ্বকালৰ অন্যতম সফল সন্তান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেখেতে ভাৰতীয় অসামৰিক সেৱাৰ দৰে উৎকৃষ্ট সেৱাত যোগদান কৰি অসম মাতৃৰ নাম উজলাই

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

তুলিছিল। নাতিদীৰ্ঘ জীৱনকালত তেখেতে সমাজ জীৱনলৈ আগবঢ়াই যোৱা অৱদান সকলোৱে শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱাৰ জীৱন আৰু কৰ্মৰাজিক প্ৰেৰণা হিচাপে গ্ৰহণ কৰি জীৱন পথত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়। ইয়ে তেওঁলোকৰ মহান লক্ষ্যত উপনীত হোৱাৰ দিশত সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে শৈক্ষিক দিশত ৰাজ্যখনক আগুৱাই নিয়াৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে শৈক্ষিক বিপ্লৱ অনাৰ দিশত অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও আলোকপাত কৰে। তেওঁ লগতে কয় যে আগন্তুক দিনত এই পদক্ষেপসমূহে ৰাজ্যখনক এখন আগশাৰীৰ ৰাজ্যলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব।

১৮৫০ চনত উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত জন্মগ্ৰহণ কৰা আনন্দৰাম বৰুৱাই মাথো ৩৯ বছৰ বয়সতে ভাৰতত ব্ৰিটিছৰ শাসনকালত প্ৰথম জন ভাৰতীয় জিলা দণ্ডাধীশ তথা উপায়ুক্তৰ পদ অলংকৃত কৰাকে ধৰি বহু অসাধাৰণ কৃতিত্ব সাধন কৰিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে আনন্দৰাম বৰুৱাৰ সাফল্য হৈছে অসমৰ যুৱক-যুৱতীসকলৰ সফলতাৰ সন্ধানত থকা অন্তৰ্নিহিত সামৰ্থৰ প্ৰকাশ।

আজিৰ অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননী গোপাল মহন্তকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**আয়ন/ হেঃশঃ**
**৭/০৯/২০২২**